**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 23-02-2026 **Time :** 1100 Hrs.

0000000000

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সম্পৰ্কীয় গোচৰৰ শুনানিৰ বাবে এখন FAST TRACK আদালত গঠন সন্দৰ্ভত প্ৰয়োজন হ'লে অহা ২৬ ফেব্ৰুৱাৰীত মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান এই FAST TRACK আদালত গঠনক লৈ ৰাজনীতি চলি আছে। এই গোচৰৰ শুনানি কালত এতিয়ালৈকে ন্যায়াধীশে সকলো জামিন আবেদন নাকচ কৰা, দুজন অভিযুক্তই নিজৰ জামিন আবেদন প্ৰত্যাহাৰ কৰাৰ বিষয়ে উল্লেখ কৰি ডং শৰ্মাই বৰ্তমান বিচাৰ চলি থকা আদালতখনৰ পৰা গোচৰটো আন ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰ কৰাৰ ষড়যন্ত্ৰ চলিছে বুলি অভিযোগ কৰিছে। এই সমগ্ৰ বিষয়সমূহ পৰৱৰ্তী মন্ত্ৰীসভাৰ বৈঠকত আলোচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

0000000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাত আজি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। বিয়লি তিনি বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশ ল'ব। কালিৰেপৰা অনুষ্ঠিত এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০খনৰো অধিক বিপণীয়ে অংশ লৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, ত্ৰিপুৰা, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হৈছে। আজিৰেপৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। চৰচ মেলাই ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ সুচল কৰিব বুলি আশা কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

0000000

———কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ৰ অধীনৰ পেঞ্চন আৰু পেঞ্চনাৰ কল্যাণ বিভাগে গুৱাহাটীত আজি এলানি কৰ্মশালাৰ আয়োজন কৰিছে। খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এই অনুষ্ঠানত অৱসৰৰ পূৰ্বে পৰামৰ্শ কৰ্মশালা, পেঞ্চনাৰৰ সজাগতা কাৰ্যসূচী আৰু বেংক কৰ্মচাৰীৰ সজাগতা কাৰ্যসূচী শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হ'ব। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ডং জীতেন্দ্ৰ সিং উপস্থিত থাকিব।

0000000

অসমক বিশ্বজুৰি বিনিয়োগকাৰীসকলৰ নিৰ্ভয়যোগ্য কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি বিভিন্ন প্ৰতিষ্ঠানৰ বিনিয়োগকাৰীসকলৰ সৈতে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে তেওঁলোকক অভিনন্দন জনোৱাৰ উপৰি এইক্ষেত্ৰত সুযোগ, সম্ভাৱনা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে বিনিয়োগকাৰীসকলক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। শ্ৰী বৰাই ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অন্তিম কিস্তি প্ৰদানৰো পৰ্যালোচনা কৰে।

ooooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই লতাশিল খেলপথাৰত লোকভৱনৰ উদ্যোগত আয়োজিত স্বচ্ছ ভাৰত অভিযানৰ উদ্বোধনী অনুষ্ঠানত ভাগ লয়। লোকসেৱা ভৱনে আজিৰে পৰা গুৱাহাটী পৌৰ নিগমৰ সহযোগত **সেৱা সংকল্প সপ্তাহ**ৰ আয়োজন কৰিছে। এই অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিত থাকে। লতাশিল খেলপথাৰৰ পৰাই স্বচ্ছ ভাৰত অভিযান কাৰ্যসূচী আৰম্ভ হৈছে।

ooooooo

লণ্ডনত অনুষ্ঠিত ৭৯ সংখ্যক ব্ৰিটিছ একাডেমী চলচ্চিত্ৰ বঁটা - বাফ্‌টাত মণিপুৰী ভাষাৰ হাস্যব্যঙ্গ ছবি **বুঙে** শ্ৰেষ্ঠ শিশু আৰু পাৰিবাৰিক ছবিৰ শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰিছে। ভাৰতীয় চিনেমা, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ছবিৰ বাবে এই সন্মান গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। ফাৰহান আখটাৰৰ এক্সেল এণ্টাৰটেইনমেণ্টৰ প্ৰযোজিত **বুং** হৈছে লক্ষ্মীপ্ৰিয়া দেৱীৰ পৰিচালনাৰ প্ৰথমখন ছবি। শিশু অভিনেতা গুগুন কিপজেন আৰু বালা হিজামে অভিনয় কৰা এই মণিপুৰী ছবিখনে কেইবাখনো আন্তঃৰাষ্ট্ৰীয় ছবিক পাছ পেলাই এই বঁটা লাভ কৰে। বুং শব্দৰ অৰ্থ হৈছে মণিপুৰী ভাষাত সৰু ল'ৰা। ছবিখনত সামাজিক আৰু ৰাজনৈতিকভাৱে অস্থিৰ পৰিস্থিতিত এটা সৰু ল'ৰাৰ কাহিনীক চিত্ৰায়ন কৰা হৈছে। বাফ্‌টাত এক্সন থ্ৰিলাৰ **ৱান বেটল আফ্‌টাৰ এনাডাৰে** শ্ৰেষ্ঠ ছবিকে ধৰি ছটা বঁটা লাভ কৰিছে।

oooooooo

ৰাজ্যজুৰি চলি থকা মাদক দ্ৰব্য বিৰোধী অভিযানৰ সময়তে হাইলাকান্দি আৰক্ষীয়ে কালি অভিযান চলাই বুজন পৰিমাণৰ য়াবা টেবলেট জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে কালি বাওৰাঘাট অঞ্চলত অভিযান চলাই সন্দেহজনকভাৱে চলাচল কৰি থকা এখন ব্যক্তিগত বাহন আটক কৰে। বাহনখনৰ ভিতৰত বিশেষভাৱে নিৰ্মাণ কৰা গোপন চেম্বাৰৰ ভিতৰত ১২ পেকেট য়াবা টেবলেট উদ্ধাৰ কৰে। জব্দকৃত মাদক দ্ৰব্যখিনিৰ বজাৰ মূল্য আনুমানিক ৫ কোটি টকা। আটক কৰা দুগৰাকী সৰবৰাহকাৰী মিজোৰামৰ বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooooo

**সমাপ্ত**